**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 28-09-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ ভূপেন হাজৰিকাৰ গীতত বিশ্বব্যাপী ঐক্য প্ৰতিফলিত হৈছে বুলি মন্তব্য কৰে। আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ ১২৬ সংখ্যক খণ্ডত আজি প্ৰধানমন্ত্ৰী মোদীয়ে সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী মোদীয়ে শেহতীয়াকৈ অসমত আয়োজিত যুগজয়ী মহান শিল্পীগৰাকীৰ জন্মশতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অভিহিত কৰে। তেওঁ ড০ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক কালজয়ী গীতটো সিংহলী আৰু তামিল ভাষাত অনুবাদৰ কথা উল্লেখ কৰি কিদৰে ভূপেন হাজৰিকাৰ গীতৰ জৰিয়তে বিশ্বৰ বেলেগ বেলেগ দেশ একত্ৰিত হৈছে সেই বিষয়ত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজিৰ মন কি বাতত অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন কৰে। পশ্চিম কাৰ্বি আংলঙত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ৰূপান্তৰমুখী পদক্ষেপ হিচাপে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয়ৰে এই জিলা চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদ্বোধনী কাৰ্যসূচীৰ পাছত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুস্পঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰাৰ লগতে চিকিৎসালয়খনৰ চৌহদত এটি গছপুলি ৰোপণ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৰংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে। এই উপলক্ষে ডংকামোকামৰ ৰাইছং ষ্টেডিয়ামত আয়োজিত এখন জনসভাত দুহেজাৰ ২০০ আত্মসহায়ক গোটৰ প্ৰায় ১৯ হাজাৰ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'য়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যবাসীৰ শাৰদীয় পূজাৰ উৎসাহ স্তিমিত হৈ আছে। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত

ৰাজ্যখন শোকাছন্ন হৈ থকাৰ মাজতে জনসাধাৰণে পৰম্পৰা বৰ্তাই ৰাখি দুৰ্গতিনাশিনী দুৰ্গাৰ আশীষ বিচাৰি আৰাধনা কৰিছে। ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা আড়ম্বৰহীনভাৱে যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে দিয়া বাৰ্তাত প্ৰতিকূল পৰিৱেশৰ মাজতো ৰাজ্যৰ জনসাধাৰণ দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে সাজু হৈছে বুলি উল্লেখ কৰি সমাজখনত শান্তি স্থাপনৰ বাবে দেৱীৰ আশীষ বিচাৰে। তেওঁ শাৰদীয় পূজাৰ ক্ষণত ৰাজ্যৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে।

কামৰূপ জিলাৰ বকোৰ বনগাঁৱত অনুষ্ঠিত সাৰ্বজনীন দুৰ্গা পূজাত আজি গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে দেৱী দুৰ্গাৰ আশীষ লয়। তেওঁ পূজাথলীত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা জনায়। সাংসদগৰাকীয়ে ৰাজ্য চৰকাৰে আগবঢ়োৱা ১০ হাজাৰ টকাৰ সাহায্য বনগাঁও পূজা সমিতিক অৰ্পণ কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মাইজানত আজি দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনাই এজন যুৱক ব্ৰহ্মপুত্ৰত বুৰ যোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰে। আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনোৱা মতে মাইজান বৰশইকীয়া গাঁৱৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ খেলপথাৰত বিয়লি স্থানীয় যুৱকসকলে ফুটবল খেলি থকা অৱস্থাত বলটো নদীত পৰি যায়। বলটো আনিবলৈ নবীন চৌধুৰী নামৰ যুৱকজনে পানীত জাপ দিয়াত নদীৰ কোবাল সোঁতে যুৱকজনক উটুৱাই লৈ যায়। এছ্ ডি আৰ এফৰ বাহিনীয়ে আন্ধাৰৰ বাবে অভিযান চলাব নোৱাৰে যদিও কাইলৈ পুৱাই যুৱকজনৰ সন্ধানত অভিযান চলাব বুলি জনাইছে।

০০০০০০

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ডুবাইত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আমালৈ বাতৰি অহাৰ পৰলৈকে পাকিস্তানে প্ৰথমে বেট ধৰি ১৬ অভাৰ এটা বলত ৬টা উইকেট হেৰুৱাই ১৩৩ ৰাণ কৰি খেলি আছে। পাকিস্তানৰ হৈ চাহিবজাদা ফাৰহানে ৫৭ আৰু ফখৰ জামানে ৪৬ ৰাণ কৰি আউট হয়। বৰুণ চক্ৰৱৰ্ত্তী, অক্ষৰ পেটেল আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০

সমাপ্ত